# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 23-04-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

## Headlines

**--------------------**

১। পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণ সন্দৰ্ভত প্ৰধানমন্ত্ৰী মোদীৰ অধ্যক্ষতাত গুৰুত্বপূৰ্ণ বৈঠক।

২। পহলগামৰ ঘটনাৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ অসম ভ্ৰমণ বাতিল।

৩। বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ ২০২৫-২৬ বৰ্ষৰ বাবে পৰিষদৰ ৮৪৩ কোটি টকাৰ বাজেট উত্থাপন।

৪। পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান ক্ৰমাৎ তীব্ৰতৰ। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ছানৰাইজাৰ্ছ হায়দৰাবাদ মুম্বাই ইণ্ডিয়ানছৰ মুখামুখি।

ooooo

জম্মু-কাশ্মীৰৰ পহলগামৰ পৰ্যটকৰ বিচৰণস্থলী বেইচ্‌ৰণত কালি সন্ত্ৰাসবাদীৰ আক্ৰমণত ২৬গৰাকী পৰ্যটক নিহত হোৱা ঘটনা সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত নতুন দিল্লীৰ প্ৰধানমন্ত্ৰী বাসভৱনত বৰ্তমান কেন্দ্ৰীয় মন্ত্ৰীসভাৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হৈছে। এই ঘটনাৰ তদন্ত কৰা ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা - এন আই এয়ে ইতিমধ্যে পহলগাম আক্ৰমণৰ সৈতে জড়িত তিনিজন পাকিস্তানী সন্ত্ৰাসবাদী - আছিফ ফৌজী ওৰফে মুছা, চুলেমান শ্বাহ ওৰফে ইউনুছ আৰু আবু তালহা ওৰফে আছিফৰ ৰেখাচিত্ৰ প্ৰকাশ কৰিছে। ইপিনে, এই সন্ত্ৰাসবাদী দলটোৰ বিৰুদ্ধে সেনাবাহিনী, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী আৰু জম্মু-কাশ্মীৰ আৰক্ষীৰ যুটীয়া দলে নিঃশ্চিদ্ৰ অভিযান চলাই আছে। এই অভিযান সেনাবাহিনীৰ নৰ্ডাৰ্ণ কমাণ্ডৰ জি অ' চি লেফটেনেণ্ট জেনেৰেল এম বি সুচেন্দ্ৰ কুমাৰে তদাৰক কৰি আছে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে পহলগাম আক্ৰমণৰ সৈতে প্ৰত্যক্ষভাৱে জগৰীয়াসকলৰ বিৰুদ্ধেই নহয়, ইয়াৰ আঁৰত থাকি কাম কৰাসকলৰ বিৰুদ্ধেও ভাৰতে শীঘ্ৰেই নিৰ্ণায়ক ব্যৱস্থা গ্ৰহণ কৰিব বুলি ঘোষণা কৰিছে। আজি নতুন দিল্লীত বায়ুসেনা বাহিনীৰ এটা অনুষ্ঠানত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে এই দৃঢ় মন্তব্য কৰে।

**বাইট**

ইয়াৰ আগতে আজি কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে জম্মুৰ বেইচ্‌ৰণ বনাঞ্চল ভ্ৰমণ কৰি পৰিস্থিতিৰ বুজ লয়। কালি সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণত প্ৰাণ হেৰুওৱা লোকসকলৰ পৰিয়ালবৰ্গক তেওঁ নিৰীহ লোকৰ প্ৰাণ কাঢ়ি লোৱা সন্ত্ৰাসবাদীসকলক কোনো কাৰণতে ৰেহাই দিয়া ন'হব বুলি আশ্বাস দিয়ে। ভাৰতে সন্ত্ৰাসবাদীৰ ওচৰত শিৰনত নকৰে বুলি তেওঁ উল্লেখ কৰে। গৃহমন্ত্ৰীগৰাকীয়ে কয় যে এই কাপুৰুষালিভৰা আক্ৰমণৰ সৈতে জড়িতসকলক ৰেহাই দিয়া নহ'ব। শ্ৰীশ্বাহে শ্ৰীনগৰৰ আৰক্ষী নিয়ন্ত্ৰণ কক্ষত নিহতসকললৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। তেওঁ লগতে আক্ৰমণত আহত হৈ অনন্তনাগৰ চৰকাৰী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি হৈ

থকাসকলৰ স্বাস্থ্যৰ বুজ লয়। কালি পহলগামত সংঘটিত এই সন্ত্ৰাসবাদীৰ আক্ৰমণত ২৬গৰাকী পৰ্যটকে প্ৰাণ হেৰুৱাইছে। নিহতসকলৰ ভিতৰত বায়ুসেনা বাহিনীৰ কৰ্পোৰেল অৰুণাচল প্ৰদেশৰ টাগে হাইলিয়াঙো আছে। নিহত সকলৰ মৃতদেহ বিশেষ বিমানেৰে শ্ৰীনগৰৰ পৰা তেওঁলোকৰ নিজ নিজ গাঁৱলৈ নিয়াৰ ব্যৱস্থা কৰা হৈছে। আৰক্ষীয়ে তিনিজন আক্ৰমণকাৰীৰ স্কেট্‌ছ প্ৰকাশ কৰিছে। ৰাষ্ট্ৰীয় তদন্ত সংস্থা এন আই এয়ে এই আক্ৰমণৰ তদন্তত দায়িত্ব গ্ৰহণ কৰিছে।

০০০০০

পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ অসম ভ্ৰমণ বাতিল কৰা হৈছে। ৰাষ্ট্ৰপতিগৰাকী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহাৰ কথা আছিল। এই ভ্ৰমণ কালত ৰাষ্ট্ৰপতিগৰাকীয়ে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত হ'বলগীয়া ২০২৩ বৰ্ষৰ শংকৰদেৱ বঁটা প্ৰদান অনুষ্ঠান আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৩২ সংখ্যক সমাৱৰ্তন অনুষ্ঠানত অশগ্ৰহণ কৰাৰ কথা আছিল। ৰাজ্য চৰকাৰে অনিবাৰ্য কাৰণবশতঃ ২৫ এপ্ৰিলত ৰাষ্ট্ৰপতিগৰাকী উপস্থিত থাকিবলগীয়া শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান কাৰ্যসূচী পিছুৱাই দিছে। অৱশ্যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন অনুষ্ঠান পূৰ্বৰ সূচী অনুসৰি অনুষ্ঠিত হ'ব। ৰাজ্যপাল তথা বিশ্ববিদ্যালয়খনৰ আচাৰ্য লক্ষ্মণ প্ৰসাদ আচাৰ্য এই অনুষ্ঠানত উপস্থিত থাকিব।

০০০০০

জম্মু-কাশ্মীৰৰ পহলগামত মঙলবাৰে হোৱা সন্ত্ৰাসবাদীৰ আক্ৰমণৰ সময়ত ঘটনাস্থলীতে উপস্থিত থকা অসমৰ এটা পৰিয়ালৰ কথমপি প্ৰাণৰক্ষা পৰে। শিলচৰৰ অসম বিশ্ববিদ্যালয়ৰ অধ্যাপক দেৱাশীষ ভট্টাচাৰ্যই পত্নী-পুত্ৰৰ সৈতে বেইচৰণ উপত্যকাত ভ্ৰমণৰ বাবে গৈছিল। সন্ত্ৰাসবাদী আক্ৰমণৰ সময়ত দেৱাশীষ ভট্টাচাৰ্যৰ পৰিয়ালটোৱে আন বহুতৰে সৈতে গছ-গছনিৰ আঁৰত লুকাই আছিল যদিও সন্ত্ৰাসবাদীৰ দলটোৱে তেওঁলোকক বিচাৰি উলিয়ায়। সন্ত্ৰাসবাদীকেইটাৰ সন্মুখত কলিমা পাঠ কৰাৰ বাবেই পৰিয়ালটোলৈ গুলীচালনা নকৰিলে বুলি দেৱাশীষ ভট্টাচাৰ্যই আমাৰ শিলচৰৰ সংবাদদাতা আখীৰাণী দাসক টেলিফোনযোগে জনায়। প্ৰায় দুঘণ্টা সময় সমীপতে আশ্ৰয় লৈ পৰৱৰ্তী সময়ত পৰিয়ালটোৱে এখন বাহনত শ্ৰীনগৰলৈ ৰাওনা হয়। পৰিয়ালটো বৰ্তমান নিৰাপদে আছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০

জম্মু-কাশ্মীৰৰ পহলগামত সন্ত্ৰাসবাদীৰ আক্ৰমণত ২৮ গৰাকী নিৰীহ লোক নিহত হোৱাৰ ঘটনাক গৰিহণা দি আজি শিৱসাগৰ নাগৰিক সমাজে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। শিৱসাগৰৰ দৌলমুখ চাৰিআলিত ৰূপায়ণ কৰা প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে নাগৰিক সমাজে নাগৰিকৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ লগতে হত্যা-হিংসা বন্ধ কৰাৰ দাবী জনায়।

ৰাজ্যিক বিজেপিৰ সভাপতি তথা লোকসভাৰ সাংসদ দিলীপ শইকীয়াই পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক কাপুৰুষালী আখ্যা দি চৰকাৰক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

০০০০০

বি টি আৰ বিধায়িনী পৰিষদৰ দুদিনীয়া বাজেট অধিবেশন আজিৰে পৰা অনুষ্ঠিত হৈছে। অধিবেশনৰ প্ৰথম দিনা আজি বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে ২০২৫-২৬ বৰ্ষৰ বাবে পৰিষদৰ ৮৪৩ কোটি টকাৰ বাজেট উত্থাপন কৰে। বাজেটত চৰকাৰ পৰিচালিত অগ্ৰাধিকাৰ উন্নয়ন আঁচনিৰ অধীনত বিশেষ আবণ্টন দিয়া হৈছে। বাজেটখনক ভাইব্ৰেণ্ট বি টি আৰ অভিযানৰ পৰিকল্পনা বুলি অভিহিত কৰি মুখ্য কাৰ্যবাহী সদস্যগৰাকীয়ে কয় যে বাজেটত বহনক্ষম উন্নয়ন, সুশাসন আৰু সামাজিক সম্প্ৰীতিৰ মাধ্যমেৰে

বড়োলেণ্ড আৰ্হিক শক্তিশালী কৰাৰ লক্ষ্যৰে ব্যাপক পৰিকল্পনা সন্নিৱিষ্ট কৰা হৈছে। তেওঁ লগতে ভাষা, সংস্কৃতি আৰু সাহিত্য প্ৰসাৰৰ বাবে বড়োলেণ্ড সমূহীয়া উন্নয়ন বিভাগ গঠনৰ কথা ঘোষণা কৰে। চিৰাঙত বড়োলেণ্ড সমূহীয়া সংগ্ৰহালয় আৰু তামুলপুৰত বড়োলেণ্ড আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু হৰ্ষ বিদ্যালয় স্থাপনৰ বিষয়েও তেওঁ উল্লেখ কৰে। বিধায়িনী পৰিষদৰ বিৰোধী পক্ষৰ নেতা বি পি এফৰ দেৰহাছাত বসুমতাৰীয়ে বাজেটখনক লৈ অসন্তুষ্টি প্ৰকাশ কৰে। তেওঁ লগতে অঞ্চলটোৰ জনসাধাৰণৰ কল্যাণ সম্পৰ্কীয় উদ্বেগ দূৰ কৰাত বাজেটখন ব্যৰ্থ হোৱা বুলি সমালোচনা কৰে।

ooooo

ৰাজ্যত আসন্ন পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলে প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কেইবাখনো প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। বিজেপি তথা মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ সমৰ্থনত মুখ্যমন্ত্ৰীগৰাকীয়ে **টীয়কৰ** ৰজাবাৰী খেলপথাৰ আৰু সৰুপথাৰৰ ধোন্দাচাম ক্ৰীড়া সন্থা খেলপথাৰত দুখনকৈ নিৰ্বাচনী সভাত ভাগ লয়। **সৰুপথাৰত** নিৰ্বাচনী সভাত ভাগ লৈ মুখ্যমন্ত্ৰীগৰাকীয়ে বিৰোধীক তীব্ৰ সমালোচনা কৰাৰ লগতে এইবাৰ পঞ্চায়ত নিৰ্বাচনত এন ডি এ সমৰ্থিত সকলো প্ৰাৰ্থীয়ে জয়লাভ কৰিব বুলি মন্তব্য কৰে। একেখন সভাতে মুখ্যমন্ত্ৰী শৰ্মাই কংগ্ৰেছ সাংসদ গৌৰৱ গগৈকো তীক্ষ্ণ ভাষাৰে সমালোচনা কৰি সাংসদগৰাকীয়ে শত্ৰুৰ ৰাষ্ট্ৰৰ সৈতে সম্পৰ্ক থকা বুলি মন্তব্য কৰে।

মুখ্যমন্ত্ৰী শৰ্মাই আজি **মাজুলীৰ** ডেকা শেনছোৱাত ভাৰতীয় জনতা পাৰ্টি মিত্ৰজোঁটৰ সমৰ্থিত প্ৰাৰ্থীসকলৰ প্ৰচাৰৰ উদ্দেশ্যেৰে আন এখন প্ৰচাৰ সভাত ভাগ লোৱাৰ কথা আছিল যদিও প্ৰতিকূল বতৰৰ বাবে মাজুলীত উপস্থিত হ'ব নোৱাৰিলে। মুখ্যমন্ত্ৰীগৰাকীয়ে  ফোনযোগে উপস্থিত জনতাক সম্বোধন কৰি যোৰহাট-মাজুলী দলঙৰ নিবিদা আহ্বানৰ প্ৰক্ৰিয়া মে' মাহৰ ভিতৰতে সম্পূৰ্ণ হ'ব বুলি প্ৰকাশ কৰে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি **ঢকুৱাখনাৰ** বাট'মাৰিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

**ধেমাজিৰ** নলবাৰী ৰাজহুৱা খেলপথাৰত মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এখন নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ লৈ মিত্ৰজোঁটৰ প্ৰাৰ্থী বৰদলনি জিলা পৰিষদৰ সদস্য খ্যমালি বৰদেউৰী দৈমাৰী আৰু আঞ্চলিক সদস্য গুণৰী ব্ৰহ্মৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ চলায়।

**বৰছলা** বিধানসভা সমষ্টিৰ অন্তৰ্গত পঞ্চায়তৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলৰ প্ৰচাৰৰ বাবে ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই বৰছলাত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। সভাপতিগৰাকীৰ সৈতে শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ ৰঞ্জীত দত্ত আৰু বৰছলা সমষ্টিৰ বিধায়ক গণেশ লিম্বুয়েও প্ৰচাৰ সভাত ভাগ লয়।

ooooo

সমাগত পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত **ডিব্ৰুগড়** জিলাত পঞ্চায়ত নিৰ্বাচন সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ সভাপতিত্বত আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি এখন সভা অনুষ্ঠিত হয়। সভাখনত জিলা আয়ুক্তগৰাকীয়ে বিভিন্ন কোষৰ মুৰববী সকলৰ পৰা নিৰ্বাচনী কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। লগতে বেলট পেপাৰ ছপোৱা, কেৱল মহিলাৰ দ্বাৰা পৰিচালিত হ'বলগীয়া ভোটগ্ৰহণ কেন্দ্ৰৰ তথ্য আৰু উপলব্ধ সা-সুবিধা, ভোটগ্ৰহণৰ বাবে যাৱতীয় সা-সামগ্ৰী বিতৰণ আদি সম্পৰ্কে বিতংভাৱে আলোচনা কৰে।

**বৰপেটা** জিলাতো অহা ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে আজি জিলা প্ৰশাসনৰ উচ্চ পৰ্যায়ৰ এটা প্ৰতিনিধি দলে বেলট পেপাৰ ছপাশাল পৰিদৰ্শন কৰে। জিলা আয়ুক্ত ৰোহন কুমাৰ ঝাৰ নেতৃত্বত দলটোৱে দায়িত্বপ্ৰাপ্ত ছপাশালে নিৰ্ধাৰণ কৰি দিয়া নিয়ম অনুসৰি বেলট পেপাৰ ছপোৱাৰ কাম হৈছে নে নাই পৰিদৰ্শন কৰে। লগতে ছপাশালে প্ৰয়োজনীয় গোপনীয়তা ৰক্ষা কৰিছে নে নাই সেয়াও বুজ লয়। জিলাখনত ইতিমধ্যে বেলট বাকচ বিতৰণৰ প্ৰথম পৰ্যায় সম্পূৰ্ণ হৈছে।

**মানকাচৰ** জিলা প্ৰশাসনেও দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে সকলো প্ৰস্তুতি চলাইছে। জিলাখনৰ ৩৫ খন গাঁও পঞ্চায়তত মুঠ ৪০৬টা ভোটকেন্দ্ৰ আছে। ইয়াৰে ৮৫টা ভোটকেন্দ্ৰ স্পৰ্শকাতৰ আৰু ৬টা ভোটকেন্দ্ৰ অতি স্পৰ্শকাতৰ হিচাপে চিহ্নিত কৰা হৈছে। জিলা আয়ুক্ত ৰাহুল কুমাৰ গুপ্তাই প্ৰতিটো ভোটকেন্দ্ৰতে সুচাৰুৰূপে ভোটগ্ৰহণৰ বাবে লোৱা ব্যৱস্থা সন্দৰ্ভত এনেদৰে কয়-

**বাইট (ৰাহুল কুমাৰ গুপ্তা)**

০০০০০

মন্ত্ৰীসভাই অসমীয়া ভাষাক ৰাজ্যভাষা হিচাপে প্ৰয়োগ কৰাৰ সিদ্ধান্ত গ্ৰহণৰ পাছত উচ্চ শিক্ষা বিভাগে অসমীয়া ভাষাত প্ৰথমখন বিজ্ঞপ্তি প্ৰকাশ কৰিছে। ৰাজ্যৰ বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহৰ স্নাতক শ্ৰেণীত নামভৰ্তিৰ বাবে কালি সমৰ্থ প'ৰ্টেলৰ মাধ্যমেৰে মানবিশিষ্ট কাৰ্য পৰিচালনা বিধি প্ৰকাশ কৰা হৈছে। এই প্ৰক্ৰিয়া সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ত এটা সহায়ক আৰু সমন্বয় কেন্দ্ৰ স্থাপন কৰা হৈছে।

০০০০০

অসমৰ জনজাতি আৰু বিভিন্ন খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ সাংস্কৃতিক আৰু ভাষিক সংৰক্ষণৰ বাবে লোৱা পদক্ষেপৰ অংশ হিচাপে সদৌ অসম ছাত্ৰ সন্থাই আজি নন্দ তালুকদাৰ ফাউণ্ডেশ্যনৰ সৈতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। ইয়াৰ দ্বাৰা ৰাজ্যখনৰ আপুৰুগীয়া পুথি আৰু লিখিত সাহিত্যসমূহৰ ডিজিটেল ৰূপান্তৰ আৰু সংৰক্ষণৰ বাবে ব্যৱস্থা লোৱা হ'ব। আজি সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা, মুখ্য উপদেষ্টা ড০ সমুজ্জ্বল ভট্টাচাৰ্য আৰু অসম জাতীয় বিদ্যালয়ৰ শৈক্ষিক আৰু সামাজিক ন্যাসৰ পৰিচালন ন্যাসৰক্ষী ডাঃ নাৰায়ণ শৰ্মাৰ উপস্থিতিত এই চুক্তি স্বাক্ষৰ কৰা হয়। এই উপলক্ষে আয়োজিত সংবাদমেলত ছাত্ৰ সংগঠনটোৰ মুখ্য উপদেষ্টা ড০ সমুজ্জ্বল ভট্টাচাৰ্যই কয় যে প্ৰাৰম্ভিক পৰ্যায়ত ১০ হাজাৰতকৈ কম লোকে ব্যৱহাৰ কৰা অসমৰ তিনিটা ভাষা খামিয়াং, টাইফাকে আৰু চিংফৌক সংৰক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব। অসম চুক্তিৰ ৬ নম্বৰ দফাৰ অধীনত এই ভাষাসমূহ সংৰক্ষণৰ বাবে অসম চৰকাৰৰ সৈতেও সংগঠনটোৱে আলোচনা কৰিব বুলি সংবাদ মেলত ড০ ভট্টাচাৰ্যই প্ৰকাশ কৰে।.....**বাইট**

০০০০০

মানকাচৰ আৰক্ষীয়ে আজি বাংলাদেশ সীমান্তৱৰ্তী কুকুৰমাৰা চ'ৰত অভিযান চলাই ৪ হাজাৰো অধিক য়াবা টেবলেট জব্দ কৰে। মানকাচৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দিপক বৰগোৱাৰীৰ নেতৃত্বত আৰক্ষীৰ এটা দলে বিয়লি প্ৰায় ৫ বজাত কুকুৰমাৰাৰ নুৰ কালাম নামৰ এজন লোকৰ ঘৰত অভিযান চলাই এই টেবলেটখিনি জব্দ কৰে। জব্দ কৰা নিচাজাতীয় টেবলেটখিনিৰ মূল্য ১০ লাখৰো অধিক টকা হ'ব বুলি অনুমান কৰা হৈছে।

০০০০০

কোনো এবিধ সামগ্ৰী ব্ৰেণ্ড হিচাপে প্ৰতিষ্ঠা কৰিবলৈ যথেষ্ট সংগ্ৰাম কৰিবলগীয়া হয়। যদিহে এই উৎপাদনকাৰী বা উদ্যোগীগৰাকী অসমৰ থলুৱা উদ্যোগী হয় তেনেহ'লে তেওঁ অধিক সংগ্ৰাম কৰিব লাগে। এনে কেইগৰাকীমান উদ্যোগীক লৈয়েই অহা ২৬ এপ্ৰিল শনিবাৰে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে নিশা ৮ বাজি দুই মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত অসমৰ তিনিগৰাকী নতুন উদ্যমীয়ে তেওঁলোকৰ সফলতাৰ কাহিনী ব্যক্ত কৰিব। এই অনুষ্ঠানৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

যোৱা নিশা লক্ষ্ণৌৰ একানা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত দেলহি কেপিটেলছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৮ উইকেটত পৰাস্ত কৰে। দেলহি কেপিটেলছে ১৭ অ'ভাৰ আৰু ৫টা বলত দুটা উইকেট হেৰুৱাই বিজয় লক্ষ্যত উপনীত হয়। ইয়াৰ পূৰ্বে  লক্ষ্ণৌৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৬ উইকেটৰ বিনিময়ত ১৫৯ ৰাণ সংগ্ৰহ কৰে।

ooooo

ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে বিহাৰ আৰু নতুন দিল্লীত হ'বলগীয়া আসন্ন সপ্তম খেলো ইণ্ডিয়া যুৱ মহোৎসৱলৈ শতাধিক ল'ৰা-ছোৱালীৰ এটা বৃহৎ দল প্ৰেৰণ কৰিব। অসমে ৪ৰ পৰা ১৫ মে'লৈ হ'বলগীয়া এই প্ৰতিযোগিতাৰ ২৭টা শিতানৰ ভিতৰত ১৭টাত খেলাৰ যোগ্যতা অৰ্জন কৰিছে। অসমে সাঁতোৰ, ভাৰোত্তোলন, এথলেটিকছ, শুটিং, বক্সিং, চাইক্লিং, থাংকা, টেবল টেনিছ, যোগাসন, ঘাটকা, কালাৰিপায়াতু, জুডো, জিমনাষ্টিক, মাল্লখম্ব, ছেপাকটাক্ৰ' আৰু ছোৱালীৰ ভলীবল তথা কাবাডীত অংশ ল'ব।

ooooo

বসু দা নামেৰে জনপ্ৰিয়, অভিনেতা ফেইলাও বসুমতাৰীৰ অন্ত্যেষ্টিক্ৰিয়া আজি বাক্সা জিলাৰ বাঘাজানীৰ নিজা বাসগৃহত সম্পূৰ্ণ বড়ো ৰীতি-নীতিৰে সম্পন্ন হয়। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যোৱা নিশা গুৱাহাটীৰ এখন ব্যক্তিগত হাস্পতালত শিল্পীগৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰে। পৰিয়ালৰ তৰফৰ পৰা শিল্পীগৰাকীয়ে শ্বাস-প্ৰশ্বাসজনিত ৰোগত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰে বুলি জানিব পৰা হৈছে। আজি পুৱাৰ ভাগত শিল্পীগৰাকীৰ নশ্বৰদেহ বাক্সাৰ লাওখাটা বাঘাজানীৰ বাসগৃহলৈ লৈ যোৱা হৈছিল। মৃত্যুৰ সময়ত ফেইলাও বসুমতাৰীৰ বয়স ৫৫ বছৰ আছিল। শিল্পীগৰাকীয়ে দীৰ্ঘদিন ধৰি যকৃৎ ৰোগত আক্ৰান্ত হৈ আছিল। ফেইলাও বসুমতাৰীয়ে অভিনয়ৰ সমান্তৰালকৈ সংগীতো চৰ্চা কৰিছিল।

ooooo

সমাপ্ত